**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 21-02-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

# HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুইজ ইনাচিঅ' লুলা ডা ছিল্‌ভাৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি গুৱাহাটীত চি আৰ পি এফৰ ৮৭ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কুচ-কাৱাজত অংশগ্ৰহণ কৰাৰ লগতে দশম অসম আৰক্ষী বেটেলিয়নৰ নতুন চৌহদৰ আধাৰশিলা স্থাপন কৰিব।

৩। কৃত্ৰিম বুদ্ধিমত্তাৰ শক্তিশালী তথা দায়বদ্ধ দৃষ্টিভংগীৰে নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষ সন্মিলন ২০২৬ৰ কালি সামৰণি পৰে। *আৰু*

৪। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা অনুষ্ঠিত লীগ পৰ্যায়ৰ অন্তিমখন খেলত অষ্ট্ৰেলিয়াই ওমানক ৯ উইকেটত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুইজ ইনাচিঅ' লুলা ডা ছিল্‌ভাৰ সৈতে নতুন দিল্লীত আজি দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। এই বৈঠকত দুয়োগৰাকী নেতাই দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ সমগ্ৰ দিশটো পৰ্যালোচনা কৰিব। বহুপক্ষীয় মঞ্চত সহযোগিতা, শাসন, গোলকীয় দক্ষিণ সম্পৰ্কীয় বিষয়সমূহকে ধৰি পাৰস্পৰিক স্বাৰ্থজড়িত আঞ্চলিক বিষয়সমূহ সন্দৰ্ভত দুয়োগৰাকী নেতাই মত বিনিময় কৰিব। উল্লেখযোগ্য যে ২০০৬ চনৰ পৰা ব্ৰাজিল ভাৰতৰ কৌশলগত অংশীদাৰ। লেটিন আমেৰিকান দেশসমূহৰ ভিতৰত ব্ৰাজিল ভাৰতৰ সৰ্ববৃহৎ বাণিজ্যিক অংশীদাৰ। বাণিজ্য আৰু বিনিয়োগ, প্ৰতিৰক্ষা, শক্তি, কৃষি, স্বাস্থ্য আৰু ঔষধ, নৱীকৰণযোগ্য শক্তি, খনিজ পদাৰ্থ, বিজ্ঞান প্ৰযুক্তি আৰু উদ্ভাৱনৰ ক্ষেত্ৰত দুয়োখন দেশৰ মাজত থকা সহযোগিতা অধিক শক্তিশালী হৈ পৰিছে। ৰাষ্ট্ৰসংঘৰ সংস্কাৰ, জলবায়ু পৰিৱৰ্তন আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিয়াকে ধৰি বিভিন্ন আন্তঃৰাষ্ট্ৰীয় বিষয়ত দুয়োখন দেশে সহমত ব্যক্ত কৰে। বহুপক্ষীয় মঞ্চ যেনে ব্ৰিকছ, জি-২০, জি-ফ'ৰ, আন্তঃৰাষ্ট্ৰীয় সৌৰ মিত্ৰজোঁটৰ লগতে ৰাষ্ট্ৰসংঘ, বিশ্ব ব্যৱসায় সংস্থা আৰু ইউনেস্কোৰ দৰে বৃহত্তৰ বহুপক্ষীয় সংস্থাসমূহতো দুয়োখন দেশে সহযোগিতা লাভ কৰি আহিছে।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি গুৱাহাটীত চি আৰ পি এফৰ ৮৭ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কুচ-কাৱাজত অংশগ্ৰহণ কৰাৰ লগতে দশম অসম আৰক্ষী বেটেলিয়নৰ নতুন চৌহদৰ আধাৰশিলা স্থাপন কৰিব। উল্লেখযোগ্য যে প্ৰথমবাৰৰ বাবে চি আৰ পি এফৰ প্ৰতিষ্ঠা দিৱস অসম তথা উত্তৰ-পূৰ্বাঞ্চলত আয়োজন কৰা হৈছে। ৮টা দলৰ প্ৰায় এহেজাৰ ৪০০ চি আৰ পি এফৰ জোৱানে এই কুচ-কাৱাজত

অংশগ্ৰহণ কৰিব। ইয়াৰ পাছত গৃহমন্ত্ৰীগৰাকীয়ে গুৱাহাটীৰ ওচৰৰ কচুতলীত দশম আৰক্ষী বেটেলিয়নৰ নতুন চৌহদৰ আধাৰশিলা স্থাপন কৰিব।

গৃহমন্ত্ৰী শ্ৰীশ্বাহে কালি অসমৰ কাছাৰ জিলাৰ কাটিগড়াৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী নাটানপুৰত ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচীৰ দ্বিতীয় পৰ্যায় আনুষ্ঠানিকভাৱে মুকলি কৰে। অনুষ্ঠানত ভাষণ দি শ্ৰীশ্বাহে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত সীমান্ত অঞ্চলসমূহৰ উন্নয়নৰ বাবে ভালেমান পদক্ষেপ গ্ৰহণ কৰা হৈছে। তেওঁ কয় যে দেশৰ ১৭ খন ৰাজ্যৰ ৩৩৪টা খণ্ড আৰু প্ৰায় এহেজাৰ ৯৫৪ খন গাঁৱৰ লগতে অসমৰ ১৪০ খন সীমান্তৱৰ্তী গাঁৱত এনেধৰণৰ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। তেওঁ লগতে কয় যে ৩৩৪টা খণ্ড আৰু ভাৰত বাংলাদেশ সীমান্তৰ প্ৰায় দুহেজাৰ গাঁৱত উন্নয়নমূলক কাম ইতিমধ্যে আৰম্ভ হৈছে। উল্লেখযোগ্য যে ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচীয়ে সীমান্তৱৰ্তী অঞ্চলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ লগতে সীমান্তৰে হোৱা অপৰাধ নিয়ন্ত্ৰণ আৰু অভ্যন্তৰীণ সুৰক্ষা সুদৃঢ় কৰাত অৰিহণা যোগাব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে অবৈধ অনুপ্ৰবেশ অসমৰ বাবে এটা বৃহৎ সমস্যা বুলি উল্লেখ কৰি কয় যে অনুপ্ৰবেশকাৰীসকলে বহুসংখ্যক গাঁৱত বসবাস কৰি আছে। বিজেপি চৰকাৰে বিগত ১০ বছৰত অনুপ্ৰবেশ ৰোধ কৰাৰ বাবে কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰিছে বুলি শ্ৰীশ্বাহে প্ৰকাশ কৰে। তেওঁ কয় যে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অবৈধ দখলকাৰীসকলক উচ্ছেদ কৰাৰ এটা অভিযান চলি আছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কংগ্ৰেছে দীৰ্ঘদিন শাসনত থকা সত্বেও এই সমস্যা সমাধান কৰিবলৈ সমৰ্থ নহ'ল বুলি সমালোচনা কৰে। অসমৰ বানৰ প্ৰসংগ উল্লেখ কৰি শ্ৰীশ্বাহে কয় যে অনাগত পাঁচ বছৰত  অসমক এখন বানমুক্ত ৰাজ্য হিচাপে গঢ়ি তুলিবলৈ বিজেপি চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। ৰাজ্যখনৰ পথ আন্তঃগাঁথনি উন্নয়ন, পৰ্যটন কেন্দ্ৰ স্থাপন আৰু উগ্ৰবাদৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰতো ভালেমান গুৰুত্বপূৰ্ণ পদক্ষেপ লোৱা হৈছে বুলি তেওঁ প্ৰকাশ কৰে। বিগত ১০ বছৰত অসমৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে প্ৰায় ১৫ লাখ কোটি টকা আবণ্টন দিছে বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচীত উন্নত অসম গঢ়াৰ দিশত এটা অতি গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি মন্তব্য কৰে।

ইয়াৰ পূৰ্বে শ্ৰীশ্বাহে নাটানপুৰত উপস্থিত হৈ প্ৰথমেই ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী বি এছ এফৰ সীমান্ত চকী পৰিদৰ্শন কৰে আৰু সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণৰ অগ্ৰগতি আৰু সুৰক্ষা ব্যৱস্থাৰ পৰ্যালোচনা কৰে। তেওঁ লগতে অনুষ্ঠানস্থলীত মহিলা আত্মসহায়ক গোটৰ বিপণী পৰিদৰ্শন কৰাৰ লগতে লাখপতি বাইদেউসকলৰ সৈতে মত-বিনিময় কৰে।

০০০০০

পশ্চিম বংগত ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধন প্ৰক্ৰিয়াৰ সময়ত সংঘটিত হিংসাত্মক ঘটনা আৰু ৰাজনৈতিক প্ৰভাৱ সম্পৰ্কীয় গোচৰত উচ্চতম ন্যায়ালয়ে ৰাজ্যখনৰ আৰক্ষী মহাপৰিদৰ্শকগৰাকীক সতৰ্ক কৰি দিয়ে। সৰ্বোচ্চ ন্যায়ালয়ে এইবুলিও স্পষ্ট কৰি দিয়ে যে যদিহে ৰাজনৈতিক নেতাই কৰা আপত্তিজনক মন্তব্যৰ বিৰুদ্ধে আৰক্ষী মহাপৰিদৰ্শকগৰাকীয়ে কোনোধৰণৰ পদক্ষেপ গ্ৰহণ নকৰে, তেন্তে ভৱিষ্যতে তেওঁৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। আৰক্ষী মহাপৰিদৰ্শকগৰাকীয়ে প্ৰাপ্ত অভিযোগৰ ভিত্তিত গ্ৰহণ কৰা ব্যৱস্থা সন্দৰ্ভত প্ৰতিবেদন দাখিল কৰিব লাগিব বুলি ন্যায়ালয়ে নিৰ্দেশ দিয়ে। অহা মাহত গোচৰটোৰ পৰৱৰ্তী শুনানি গ্ৰহণ কৰা হ'ব।

০০০০০

কৃত্রিম বুদ্ধিমত্তাৰ শক্তিশালী তথা দায়বদ্ধ দৃষ্টিভংগীৰে নতুন দিল্লীৰ ভাৰত মণ্ডপমত ভাৰত কৃত্রিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষ সন্মিলন ২০২৬ৰ কালি সামৰণি পৰে। নতুন দিল্লীত সামৰণি অনুষ্ঠানত ভাষণ দি ইলেকট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে এই সন্মিলনে বহু দিশত বৃহৎ সফলতা লাভ কৰিছে। তেওঁ লগতে কয়, যে ৫ লাখতকৈও অধিক দৰ্শকে কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰদৰ্শনী উপভোগ কৰিছে, বহু কথা শিকিছে আৰু বিশ্বৰ কেইবাগৰাকী বিশেষজ্ঞৰ সৈতে মত বিনিময় কৰিছে। বহু ষ্টাৰ্টআপে এই মঞ্চৰ জৰিয়তে নিজৰ কাম কৰাৰ সুযোগ পাইছে বুলিও শ্ৰীবৈষ্ণৱে উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে কৃত্ৰিম বুদ্ধিমত্তা তথা আন্তঃগাঁথনিৰ ক্ষেত্ৰত এই মঞ্চৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে বহু বিনিয়োগ প্ৰতিশ্ৰুতি লাভ কৰিছে। এই সন্মিলনখনক সমৰ্থন কৰা আৰু ইতিবাচকভাৱে লোৱা সকলো যুৱক-যুৱতীৰ প্ৰতি শ্ৰীবৈষ্ণৱে কৃতজ্ঞতা প্ৰকাশ কৰে। সংবাদমাধ্যমক সম্বোধন কৰি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে এই অনুষ্ঠানক এটা বৃহৎ সফলতা বুলি অভিহিত কৰে। তেওঁ কয়, যে কৃত্ৰিম বুদ্ধিমত্তাৰ এই সন্মিলনত ২০ গৰাকী বিশ্বনেতাই অংশগ্ৰহণ কৰাৰ লগতে সমগ্ৰ বিশ্বৰ পৰা মন্ত্ৰী পৰ্যায়ত ৪৫টা প্ৰতিনিধি দলে প্ৰতিনিধিত্ব কৰিছিল। এই সন্মিলনত শতাধিক দেশে অংশগ্ৰহণ কৰি বিশেষকৈ গোলকীয় দক্ষিণক কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰত শক্তিশালী কৰাৰ বাবে এখন মঞ্চ প্ৰদান কৰা হৈছিল বুলি মুখপাত্ৰগৰাকীয়ে উল্লেখ কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীযোগে মন কী বাত অনুষ্ঠানত জনসাধাৰণৰ সৈতে নিজৰ মনৰ ভাৱ প্ৰকাশ কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩১ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ কেন্দ্ৰৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এ আই আৰ এপতো শুনিবলৈ পোৱা যাব। এই অনুষ্ঠান আকাশবাণীৰ ইউটিউব চেনেলযোগে পোনপটীয়া প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে এই অনুষ্ঠানৰ হিন্দী প্ৰচাৰণৰ পাছতে আঞ্চলিক ভাষাত প্ৰচাৰ কৰিব।

ooooo

শুল্ক সন্দৰ্ভত আমেৰিকাৰ উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্তৰ পাছত দেশখনৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কয়, যে ভাৰতৰ সৈতে বাণিজ্যিক লেনদেনৰ ক্ষেত্ৰত কোনোধৰণৰ পৰিৱৰ্তন হোৱা নাই। তেওঁ কয়, ভাৰতৰ সৈতে দেশখনৰ সম্পৰ্ক সৌহাৰ্দমূলক সম্পৰ্ক আছে আৰু আমেৰিকাই ভাৰতৰ সৈতে বাণিজ্যিক কাম-কাজ অব্যাহত ৰাখিছে। ৰাষ্ট্ৰপতি ট্ৰাম্পে যোৱানিশা হোৱাইট হাউছত অনুষ্ঠিত এখন সংবাদমেলৰ পাছত আমেৰিকাৰ সৰ্বোচ্চ ন্যায়ালয়ৰ ৰায়দান সন্দৰ্ভত এইদৰে মন্তব্য কৰে। চলিত মাহৰ প্ৰথম ভাগতে ৰাষ্ট্ৰপতি ট্ৰাম্পে ভাৰতৰ ওপৰত শাস্তিমূলকভাৱে আৰোপিত শুল্কৰ ২৫ শতাংশ হ্ৰাস কৰাৰ বাবে কাৰ্যকৰী নিৰ্দেশনা প্ৰদান কৰিছিল। বাণিজ্য চুক্তিৰ অধীনত ৱাশ্বিংটনে নতুন দিল্লীৰ ওপৰত আৰোপিত ২৫ শতাংশ শুল্কৰ পৰা ১৮ শতাংশলৈ হ্ৰাস কৰিছিল।

ooooo

ইজৰাইলৰ আক্ৰমণত কালি লেবাননৰ পূব বেক্কা উপত্যকাত কমেও ১০ জন লোকৰ মৃত্যু হোৱাৰ লগতে আন ২৪ গৰাকী লোক আহত হয়। ইয়াৰ এদিন পূৰ্বে পেলেষ্টাইনী আশ্ৰয় শিবিৰ এটাত হোৱা ইজৰালৰ আক্ৰমণত আন দুজন লোক নিহত হয়। ইজৰাইলৰ সূত্ৰই জনোৱা মতে এয়া হৈছে বেক্কা উপত্যকাত খোপনি পোতা লেবানীজ উগ্ৰপন্থী গোট হিজবুল্লাহৰ কেন্দ্ৰত কৰা আক্ৰমণ। অৱশ্যে হিজবুল্লাহৰ ফালৰ পৰা এই সংক্ৰান্তত কোনো তাৎক্ষণিক বিবৃত্তি প্ৰকাশ কৰা নাই।

০০০০০

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা শ্ৰীলংকাৰ পাল্লেকেলে ষ্টেডিয়ামত অনুষ্ঠিত লীগ পৰ্যায়ৰ অন্তিমখন খেলত অষ্ট্ৰেলিয়াই ওমানক ৯ উইকেটত পৰাস্ত কৰে। ওমানে প্ৰথমে বেটিং কৰি ১৬ অভাৰ ২ বলত আটাইকেইটা উইকেট হেৰুৱাই ১০৪ ৰানহে সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াই মাত্ৰ ৯ অভাৰ ৪টা বলতে এটা উইকেট হেৰুৱাই ১০৫ ৰান বিজয় লক্ষ্য অতিক্ৰম কৰে।

ভাৰতে কাইলৈ আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত ছুপাৰ এইটৰ এখন খেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। টি টুৱেণ্টি বিশ্বকাপৰ ছেমি ফাইনেল খেলসমূহ অহা ৪ আৰু ৫ মাৰ্চত অনুষ্ঠিত হ'ব। অহা ৮ মাৰ্চত চূড়ান্ত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

০০০০০

সমাপ্ত